**Eastern Agro Processing & Tea Warehousing**
**Co:operative society Ltd**
**(A State Level Co-operative Society)**
**Regd No.G.17 of 1970-71**
**Jawaharnagar : P.O. Basistha : Guwahati-781029**
**email-id:: etwc.guwahati@rediffmail.com/nivazguwahati@gmail.com**

*Ref No* *Date*:04.06.23

# ইষ্টাৰ্ণ এগ্ৰো প্ৰচেছিং এণ্ড টি ওৱেৰহাউচিং .কো-অপাৰেটিভ চোছাইটি লিঃৰ বিশ্ব পৰিবেশ দিৱস পালন

**গুৱাহাটী. ০৫-০৬-২০২৩,** আজি বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি ইষ্টাৰ্ণ এগ্ৰো প্ৰচেছিং এণ্ড টি ওৱেৰহাউচিং .কো-অপাৰেটিভ চোছাইটি লিঃএ বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিবেশ দিবস পালন কৰে। ৰাতিপুৱা ৯ বজাত সমিতিৰ সভাপতি ডাঃপংকজ বৈশ্যই পৰিবেশ দিৱসৰ তাৎপৰ্য বাখ্যা কৰাৰ পিছত সমূহীয়া চাফাই অভিযানেৰে কাৰ্যসূচী মুকলি কৰা হয়। ইয়াৰ পিছত সমিতিৰ প্ৰকল্প চৌহদত সঞ্চালকমণ্ডলী আৰু কৰ্মচাৰী সকলে ভালেমান গছপুলি ৰোপন কৰে।

অনুষ্ঠানত ডাঃপংকজ বৈশ্যৰ সভাপতিত্বত এইবাৰ বিশ্ব পৰিবেশ দিবসৰ মূল বিষয়বস্তু "প্লাষ্টিক প্ৰদূষণ ৰোধ কৰক" শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। সমিতিৰ সম্পাদক দীনেশ চন্দ্ৰ বৈশ্যই আলোচনা চক্ৰখনিৰ আঁত ধৰি বিশ্ব পৰিবেশ দিৱসৰ তাৎপৰ্য, পৰিবেশতন্ত্ৰত প্লাষ্টিকৰ অপব্যৱহাৰৰ ফলত হোৱা কু-প্ৰভাব, ৰাইজৰ সচেতনতা আদি বিষয় সামৰি বাখ্যা আগবঢ়ায়। সমিতিৰ উপ-সভাপতি মেঘালী দাস বৈশ্যই আমাৰ দৈনিক উৎপন্ন হোৱা প্লাষ্টিক জাবৰে কিদৰে পৰিবেশৰ কাৰণে ভাবুকিৰ সৃষ্টি কৰিছে তাক বিস্তৃতভাবে বাখ্যা কৰে।তেখেতে প্লাষ্টিকৰ ব্যৱহাৰ বন্ধ কৰাটো সম্ভৱ নহয় যদিও প্ৰতিজন নাগৰিকক প্লাষ্টিক ব্যৱহাৰ হ্ৰাস কৰাত গুৰুত্ব প্ৰদান কৰে। সঞ্চালক সৌৰভ শৰ্মাই স্থলভাগত মানুহে সৃষ্টি কৰা প্লাষ্টিক আৱৰ্জনাই অকল নলা,নৰ্দমাৰ সমস্যাই নহয়, ই জলভাগত থকা জীৱকুলৰ বাবেও সমস্যাৰ সৃষ্টি কৰা বুলি উল্লেখ কৰি তেখেতেও প্লাষ্টিক ব্যৱহাৰ হ্ৰাস কৰাত গুৰুত্ব প্ৰদান কৰে।তেখেতে এই ক্ষেত্ৰত চৰকাৰৰ ভুমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি সমিতিৰ কৰ্মচাৰী কৃপানাথ বৈশ্য,টংকেশ্বৰ ডেকা আদিয়ে সমগ্ৰ বিশ্বত বৰ্তমান প্লাষ্টিক প্ৰদুষণে কিদৰে বিপদ মাতি আনিছে তাৰ ছবি ডাঙি ধৰাৰ লগতে ব্যৱহাৰ হ্ৰাস কৰাৰ বাবে সকলোকে সচেতন হবলৈ আহ্বান জনায়।অনুষ্ঠানত কৰ্মচাৰী প্ৰকাশ বৈশ্যই গীত পৰিবেশন কৰে।

**দীনেশ চন্দ্ৰ বৈশ্য**
সম্পাদক
ইষ্টাৰ্ণ এগ্ৰো প্ৰচেছিং এণ্ড টি ওৱেৰহাউচিং
কো-অপাৰেটিভ চোছাইটি লিঃ,গুৱাহাটা-২৮